GAS S5 01 (M/P)

Exam Code: ASM5A

অসমীয়া সংস্কৃতি

পঞ্চম ষাণ্মাসিক

অসমীয়া

খণ্ড - ২

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° শৈলেন ভৰালী, অধ্যাপক (অৱসৰপ্রাপ্ত),গুৱাহাটী বিশ্ববিদ্যালয়
ড° দীপ্তি ফুকন পাটগিৰি, অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়
ড° মঞ্জুমালা দাস, সহযোগী অধ্যাপিকা (অৱসৰপ্রাপ্ত), সন্দিকৈ ছোৱালী মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° মৃণাল জ্যোতি গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
৮, ৯	ড° বিউতি গগৈ উজনি মাজুলী মহাবিদ্যালয়
১০	ড° সু�ৰভি মাধুৰী গগৈ প্রাগজ্যোতিষ মহাবিদ্যালয়
১১-১৪	ড° জোনমণি গগৈ গুৱাহাটী
১৫	ড° মৃণাল জ্যোতি গোস্বামী

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা ঃ ড° হৰি প্রসাদ বৰুৱা, এল. অ. কে. ডি. মহাবিদ্যালয় (অধ্যায় ১৫)
ড° মৃণাল জ্যোতি গোস্বামী (বাকী কেইটা অধ্যায়)

গাঁথনিক সম্পাদনা ঃ ড° মৃণাল জ্যোতি গোস্বামী

আর্হি কাকত ঃ ড° জোনমণি গগৈ, গুৱাহাটী

প্রথম প্রকাশ ঃ জুন, ২০১৯ ISBN No. : "978-93-89123-08-1"

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭
উপ-মুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১ ০০৬; Web : www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা সংস্থা, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ৮ ঃ **অসমীয়া সংস্কৃতিলৈ আহোমসকলৰ অৱদান** **১৩৭-১৫৩**
অসমীয়া সংস্কৃতিলৈ আহোমসকলৰ অৱদান ঃ ভৌতিক কলাৰ ক্ষেত্রত, স্থাপত্য আৰু ভাস্কর্যৰ ক্ষেত্রত, চাৰু আৰু কাৰুকলালৈ, পৰিৱেশ্য কলালৈ, অসমীয়া ভাষা-সাহিত্য আৰু অন্যান্য দিশত অৱদান

অধ্যায় ৯ ঃ **অসমীয়া সংস্কৃতিলৈ মুছলমানসকলৰ অৱদান** **১৫৪-১৬৪**
অসমীয়া সংস্কৃতিলৈ মুছলমানসকলৰ অৱদান ঃ ভৌতিক সংস্কৃতিলৈ, স্থাপত্য আৰু ভাস্কর্যলৈ, চাৰু আৰু কাৰুকলাৰ দিশত, পৰিৱেশ্য কলাৰ দিশত, অন্যান্য দিশত অৱদান

অধ্যায় ১০ ঃ **লোকসংস্কৃতিৰ চমু আভাস** **১৬৫-১৭৮**
লোকসংস্কৃতি — সাধাৰণ পৰিচয়; অসমৰ লোকসংস্কৃতি ঃ মৌখিক সাহিত্য, ভৌতিক সংস্কৃতি, সামাজিক লোকপ্রথা বা লোকাচাৰ, লোকপৰিৱেশ্য কলা

অধ্যায় ১১ ঃ **মৌখিক সাহিত্য** **১৭৯-১৯৪**
মৌখিক সাহিত্য; অসমীয়া মৌখিক সাহিত্য

অধ্যায় ১২ ঃ **সামাজিক লোকাচাৰ** **১৯৫-২১০**
সামাজিক লোকাচাৰ ঃ লোকবিশ্বাস আৰু লোকধর্ম, লোক উৎসৱ-অনুষ্ঠান, অৱসৱ-বিনোদন আৰু খেল-ধেমালি, লোকঔষধ আৰু লোকচিকিৎসা

অধ্যায় ১৩ ঃ **ভৌতিক সংস্কৃতি** **২১১-২২৬**
ভৌতিক সংস্কৃতি ঃ লোকশিল্প, লোককলা, লোকস্থপতি বিদ্যা, লোকআভৰণ, লোকৰন্ধন প্রণালী

অধ্যায় ১৪ ঃ **লোকপৰিৱেশ্য কলা** **২২৭-২৪১**
লোকপৰিৱেশ্য কলা; অসমৰ লোকপৰিৱেশ্য কলা ঃ লোকসংগীত, লোকনাট্য

অধ্যায় ১৪ ঃ **অসমৰ কেইটামান নির্বাচিত লোকপৰিৱেশ্য কলা** **২৪২-২৫৭**
অসমৰ কেইটামান নির্বাচিত লোকপৰিৱেশ্য কলা ঃ ওজাপালি, কুশানগান, ঢুলীয়া ভাওনা, খুলীয়া ভাওনা

প্রসঙ্গ পুথি **২৫৮-২৬৪**

খণ্ড পৰিচয় ঃ খণ্ড - ২

'অসমীয়া সংস্কৃতি' শীৰ্ষক পাঠ্যবিষয়টিৰ এইটো দ্বিতীয় খণ্ড। এই খণ্ডটোত সৰ্বমুঠ আঠটা অধ্যায় অন্তৰ্ভুক্ত হৈছে। এই খণ্ডটোত আমি অসমীয়া সংস্কৃতিলৈ আহোম তথা মুছলমানসকলৰ অৱদান, লোকসংস্কৃতিৰ চমু পৰিচয় আৰু অসমীয়া লোকসংস্কৃতিৰ বিভিন্ন দিশৰ বিষয়ে বহলাই আলোচনা কৰিম।

ইতিমধ্যে আমি আগৰ খণ্ডটোত উল্লেখ কৰি আহিছোঁ যে অসমৰ ভূমিপুত্ৰস্বৰূপ বিভিন্ন জনগোষ্ঠীয়ে বিভিন্ন ধৰণে অতীজৰে পৰা অসমীয়া সংস্কৃতিক সমৃদ্ধ কৰিছে। সেয়ে অসমীয়া সংস্কৃতিলৈ তেওঁলোকৰ অৱদান সম্পৰ্কেও পূৰ্বৱৰ্তী খণ্ডটোৰ শেষৰটো অধ্যায়ত আলোচনা কৰা হ'ল। ঠিক তেনেদৰেই আহোমসকলে প্ৰায় ছশ বছৰ কাল অসম দেশ শাসন কৰাৰ লগতে এই ছশবছৰীয়া ৰাজত্বকালত অসমৰ ৰাজনৈতিক, সামাজিক, ধাৰ্মিক আদি সকলো দিশতে পৰিবৰ্তনৰ সূচনা কৰে। অসমখনত ভৌগোলিক একতা স্থাপন কৰি এক শাসনৰ বাঘজৰীৰে সংহত কৰে। আনহাতে মুছলমানসকলেও অসমত প্ৰৱেশ কৰি ইছলামীয় সংস্কৃতি বহন কৰি আনে। কালক্ৰমত অসমীয়া সংস্কৃতিৰ বিভিন্ন দিশত হিন্দু-মুছলমানৰ সম্প্ৰীতি বাঢ়ি গ'ল। অসমীয়া সংস্কৃতিৰ পৰা এতিয়া আৰু ইছলামীয় সংস্কৃতি বা আহোম সংস্কৃতিক আঁহ ফালি উলিয়াই আনিব নোৱাৰি। জাতীয় সংহতি আৰু সম্প্ৰীতি ৰক্ষাৰ কাৰণে এনে বৈচিত্ৰ্যপূৰ্ণ তথা সুসংহত সংস্কৃতিৰ অধ্যয়ন অতিকে প্ৰয়োজনীয়। সেয়ে পাঠ্যবিষয়টিৰ এইটো খণ্ডৰ প্ৰথম দুটা অধ্যায়; অৰ্থাৎ অষ্টম-নৱম অধ্যায়ত আহোমসকলৰ আৰু মুছলমানসকলৰ অসমীয়া সংস্কৃতিলৈ অৱদান সম্পৰ্কে আলোচনা কৰা হৈছে।

অসমীয়া সংস্কৃতিৰ অধ্যয়নৰ প্ৰসংগত আমি অসমীয়া লোকসংস্কৃতিৰ বিষয়ে অধ্যয়ন নকৰিলে সেয়া আধৰুৱা হৈ ৰ'ব। সাধাৰণভাৱে ক'বলৈ হ'লে লোকসমাজৰ সামাজিক আচৰণেই লোকসংস্কৃতি। লোকসংস্কৃতিক আকৌ বিভিন্ন পণ্ডিতে ভিন ভিন ধৰণে ভাগ কৰি দেখুৱাইছে। তাৰে ভিতৰত এটি উল্লেখযোগ্য বিভাজন হ'ল প্ৰসিদ্ধ লোকসংস্কৃতিবিদ ৰিচার্ড এম. ডৰচনে কৰা শ্ৰেণীবিভাজনটি; যথা — (ক) মৌখিক সাহিত্য, (খ) ভৌতিক সংস্কৃতি, (গ) সামাজিক লোকপ্ৰথা বা লোকাচাৰ আৰু (ঘ) লোকপৰিৱেশ্য কলা। এই শ্ৰেণীবিভাজনৰ আধাৰতে অসমীয়া লোকসংস্কৃতিক বিভাজন কৰি আলোচনা কৰিব পাৰি। অৱশ্যে তাৰ আগতে লোকসংস্কৃতি সম্পৰ্কে সম্যক ধাৰণা লোৱাৰ প্ৰয়োজনীয়তা আছে। সেয়ে দশম অধ্যায়ত লোকসংস্কৃতি সম্পৰ্কে চমুকৈ আলোচনা কৰি অসমীয়া লোকসংস্কৃতি সম্পৰ্কে আলোকপাত কৰা হৈছে। 'মৌখিক সাহিত্য' শীৰ্ষক একাদশ অধ্যায়টোত মৌখিক সাহিত্যৰ চমু পৰিচয় দাঙি ধৰি অসমীয়া মৌখিক সাহিত্য সম্পৰ্কে বহলাই আলোচনা কৰা গৈছে। ঠিক সেইদৰে ক্ৰমান্বয়ে দ্বাদশ পৰা চতুৰ্দশ অধ্যায়লৈ ক্ৰমে সামাজিক লোকাচাৰ, ভৌতিক সংস্কৃতি আৰু লোকপৰিৱেশ্য কলা সম্পৰ্কে আলোচনা কৰি অসমৰ লোকসংস্কৃতিৰ এই দিশবোৰৰ ওপৰত অৱলোকন কৰা হৈছে। অসম দেশ লোকপৰিৱেশ্য কলাৰ ক্ষেত্ৰত অতিকে চহকী। সেয়ে এই পাঠ্যবিষয়টিৰ শেষৰটো অধ্যায়ত অসমৰ কেইটামান নিৰ্বাচিত লোকপৰিৱেশ্য কলা সম্পৰ্কে পৃথকে আলোচনা কৰা হৈছে।

এই খণ্ডটো অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন বিষয়ৰ বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এইখন পাঠ্যবিষয়ৰ এইটো খণ্ডৰ লগতে পূৰ্বৱৰ্তী খণ্ডত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন পুথি অধ্যয়ন কৰিব পাৰিব।